# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-09-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - -

১। অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত সমিতিয়ে দিয়া পৰামৰ্শৰ ভিতৰত ৫২টা পৰামৰ্শ অহা বছৰৰ ১৫ এপ্ৰিলৰ ভিতৰত কাৰ্যকৰী কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। এন আৰ চি ত নাম পঞ্জীয়নৰ বাবে আবেদন কৰা প্ৰাপ্তবয়স্ক লোকসকলহে এতিয়াৰ পৰা নতুনকৈ আধাৰ লাভ কৰাৰ বাবে যোগ্য হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। নীতি বহিৰ্ভূত কাম-কাজত জড়িত লোকৰ সৈতে ঘনিষ্ঠতা ৰক্ষা তথা লেনদেন কৰাৰ অভিযোগত অসম আৰক্ষীৰ এজন পৰিদৰ্শকক নিলম্বন আৰু লেন্সনায়কক বৰ্খাস্ত।

৪। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা বিঘিনীনাশক গণেশ দেৱতাৰ পূজা।

**আৰু**

৫। পেৰিছ পেৰালিম্পিকত বৰ্তমানলৈকে ২৭টা পদক লাভেৰে অলিম্পিকৰ একেটা সংস্কৰণতে ভাৰতৰ সৰ্বাধিক পদক লাভ কৰা গৌৰৱ অৰ্জন।

০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠিত সমিতিয়ে দিয়া পৰামৰ্শৰ ভিতৰত ৫২ টা পৰামৰ্শ অহাবছৰৰ ১৫ এপ্ৰিলৰ ভিতৰত কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সমিতিয়ে দিয়া ৬৭ টা পৰামৰ্শৰ ভিতৰত ৫টা প্ৰক্ৰিয়াগত হিচাপে বিবেচনা কৰা হৈছে। আনহাতে, কেইটামান পৰামৰ্শ কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ উভয়েৰে সহমতৰ প্ৰয়োজন। এনেধৰণৰ কেইটামান পৰামৰ্শ ৰূপায়ণৰ বাবে সংবিধান সংশোধনৰো প্ৰয়োজন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ডঃ শৰ্মাই কয় যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিব পৰা ৫২ টা পৰামৰ্শৰ ভিতৰত ভাষা আৰু ভূমিৰ অধিকাৰৰ লগতে সাংস্কৃতিক ৰক্ষণাবেক্ষণ সম্পৰ্কীয় বিষয়ো জড়িত হৈ আছে। তদুপৰি ভাষাৰ ক্ষেত্ৰত আগবঢ়োৱা কেইটামান পৰামৰ্শ কাৰ্যকৰী কৰাৰ পূৰ্বে সদৌ অসম ছাত্ৰ সন্থা, বি টি আৰ, কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদ তথা বৰাক উপত্যকাৰ জনসাধাৰণৰ সৈতে আলাপ-আলোচনাৰ প্ৰয়োজন হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে, ব্ৰহ্মপুত্ৰ উপত্যকাত এই পৰামৰ্শসমূহ কাৰ্যকৰী কৰাৰ দিশত কোনো অসুবিধা নহয় বুলি তেওঁ উল্লেখ কৰে। এনেধৰণৰ ৫২ টা পৰামৰ্শ কাৰ্যকৰী কৰাৰ বাবে পৰৱৰ্তী ৩-৪ মাহ ধৰি সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ সৈতে ৰাজ্য চৰকাৰে আলাপ-আলোচনা কৰি নিৰ্ণায়ক সিদ্ধান্ত ল'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা বিষয়সমূহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ঐকান্তিক প্ৰচেষ্টাৰে আলোচনা কৰি এই পৰামৰ্শসমূহ কাৰ্যকৰী কৰাৰ প্ৰয়াস চলাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ইফালে, ৰাজ্যখনৰ পৰা অবৈধ অনুপ্ৰৱেশকাৰীক বহিষ্কাৰ কৰিবলৈ চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ সংস্থাসমূহৰ সৈতে সু-সমন্বয় ৰক্ষা, অতিৰিক্ত সুৰক্ষা কৰ্মী মোতায়েন আৰু তদাৰকী ব্যৱস্থা শক্তিশালীকৰণকে ধৰি চৰকাৰে এলানি গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ দ্বাৰা বিদেশী নাগৰিকক চিনাক্তকৰণ প্ৰক্ৰিয়া দ্ৰুত আৰু ত্বৰান্বিত কৰি তোলা হ'ব। চলিত বছৰৰ জানুৱাৰীৰ পৰা ৫৪ জন অনুপ্ৰৱেশকাৰী চিনাক্ত কৰা হৈছে আৰু ইয়াৰে ৪৮ জনেই কৰিমগঞ্জ জিলাৰ বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ৪ জন বঙাইগাঁৱৰ আৰু এজনকৈ হাফলং আৰু ধুবুৰীৰ বুলি তেওঁ উল্লেখ কৰে। একেদৰে ৰাজ্য চৰকাৰে সীমান্ত অঞ্চলত পহৰা ব্যৱস্থা কটকটীয়া কৰাৰ উপৰি চোৰাংচোৱা সংস্থাক শক্তিশালী কৰাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি চিনাক্ত কৰা সকলো অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে আইনী ব্যৱস্থা গ্ৰহণ কৰাটো চৰকাৰে নিশ্চিত কৰিব বুলি তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মৰ্মে পূৰ্বে আবণ্টন বন্ধ হৈ থকা ৯ লাখ ৫৫ হাজাৰ আধাৰ আবণ্টনৰ ব্যৱস্থা কৰা হৈছে যদিও ধুবুৰী-গোৱালপাৰাকে ধৰি ৰাজ্যৰ কেইবাখনো জিলাত জনসংখ্যাতকৈ অধিক আধাৰ কাৰ্ড জাৰি হৈছে আৰু ইয়াৰ পৰা কাৰ্ড লাভ কৰাসকলৰ ভিতৰত বিদেশী নাগৰিক থকা বুলি সন্দেহ ঘণীভূত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ২০১৪ চনত অৰ্থাৎ প্ৰাৰম্ভিক অৱস্থাতে এন আৰ চি ত নাম পঞ্জীয়নৰ বাবে আবেদন কৰা লোকসকলেহে আধাৰ কাৰ্ড লাভ কৰিব পাৰিব বুলি ১০ দিনৰ ভিতৰত নিৰ্দেশ জাৰি কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আধাৰ কাৰ্ড আবণ্টনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সকলো দিশ চালি-জাৰি চাইহে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি তেওঁ উল্লেখ কৰে। আনহাতে, চাহ বাগিচাৰ লোকসকলৰ বাবে আধাৰ প্ৰদানৰ ক্ষেত্ৰত এই নিৰ্দেশ প্ৰযোজ্য নহ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অহা ১ অক্টোবৰৰ পৰা নতুনকৈ ৰাজ্যখনত প্ৰাপ্তবয়স্ক লোকে আধাৰ লাভ কৰাৰ ক্ষেত্ৰত নিৰ্ধাৰিত পুংখানুপুংখ নীতি-নিয়মৰ মাজেৰেহে ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে।

00000

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ লেন্সনায়ক সৰোজ ডেকাক নীতি বহিৰ্ভূত ধন জমা আঁচনিৰ কাম-কাজত সক্ৰিয়ভাৱে জড়িত থকাৰ অভিযোগত চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। ভাৰতীয় সংবিধানৰ ৩১১ নম্বৰ অনুচ্ছেদ আৰু ১০ নম্বৰ নিয়মৰ অসম সেৱা অনুশাসন আৰু আপীল নীতি, ১৯৬৪-ৰ অধীনত তেওঁক বৰ্খাস্ত কৰা হৈছে। ইপিনে, গোলাঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষী পৰিদৰ্শক জিতুমণি ডেকাক নীতি বহিৰ্ভূত ধন জমা আঁচনিৰ কাম-কাজত জড়িত লোকৰ সৈতে অপ্ৰয়োজনীয়ভাৱে ঘনিষ্ঠতা ৰক্ষা কৰাৰ অভিযোগত চাকৰিৰ পৰা তাৎক্ষণিকভাৱে নিলম্বন কৰা হৈছে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে।

00000

ৰাজ্যত আইন শৃংখলা পৰিস্থিতি উন্নত কৰাৰ দিশত আৰক্ষী আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সহযোগিতাৰে থানা পৰ্যায়ৰ নাগৰিক সমিতিসমূহ গঠন কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এই নাগৰিক সমিতিসমূহৰ সন্মিলনত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ আৰক্ষী আৰু জনসাধাৰণৰ মাজত সহযোগিতাৰ সেতুবন্ধনৰ বাবে থানা পৰ্যায়ৰ নাগৰিক সমিতি গঠন কৰাটো চৰকাৰৰ এটা দীৰ্ঘদিনীয়া সপোন আছিল। ইয়াৰ জৰিয়তে জনসাধাৰণ আৰু আৰক্ষীৰ মাজৰ ব্যৱধান হ্ৰাস কৰি ৰাজ্যত আইন শৃংখলা পৰিস্থিতি অধিক উন্নতি সাধন কৰাৰ লগতে ৰাজ্যত নিৰ্ধাৰিত সময়ৰ ভিতৰত সেৱা প্ৰদান কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে নাগৰিক সমিতিয়ে অপৰাধৰ ভুক্তভোগী বিশেষকৈ শিশু আৰু মহিলাসকলক সহায় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তদুপৰি এজাহাৰ দাখিল কৰাকে ধৰি বিভিন্ন কাম-কাজৰ ক্ষেত্ৰত জনসাধাৰণক এই নাগৰিক সমিতিসমূহে সহায় কৰিব। বৰ্তমান ৰাজ্যখনত ৩৩৫ খন আৰক্ষী থানা আছে বুলি

প্ৰকাশ কৰি তেওঁ কয় যে, ইয়াৰে ২৮ খন চি আই ডি, চাইবাৰ আৰু ৰে'ল আৰক্ষী থানা বাদ দি বাকী ৩০৭ খন আৰক্ষী থানাত নাগৰিক সমিতি গঠনৰ কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ, ২০২৫ৰ বাবে মনোনয়ন দাখিল অন্তিম দিন ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। এই বঁটাৰ জৰিয়তে শিশুসকলৰ মাজত থকা শক্তি, দৃঢ়তা আৰু যোগ্যতাক উৎসাহ যোগোৱা হয়। ৫ বছৰ বয়সৰ ঊৰ্ধৰ আৰু ১৮ বছৰ বয়সৰ তলৰ শিশুক এই বঁটাৰ বাবে নিৰ্বাচন কৰা হয়। উল্লেখযোগ্য যে মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰতি বছৰে জানুৱাৰীত এই বঁটাসমূহ প্ৰদান কৰে। এই বছৰৰ বঁটা প্ৰাপকসকলৰ নাম ২৬ ডিচেম্বৰৰ বীৰ বাল দিৱসত ঘোষণা কৰা হ'ব।

০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে আজি গুৱাহাটীত মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ কাৰ্যসূচী সম্পৰ্কত অনুষ্ঠিত কৰ্মশালাত উপস্থিত থাকে। মিছন বসুন্ধৰা প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ সফলতাৰ পাছত গ্ৰহণ কৰিবলগীয়া তৃতীয় পৰ্যায়ৰ কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যৰ ভূমি ব্যৱস্থাপনা আৰু ভূমি ৰাজহ ব্যৱস্থাত যোগান্তকাৰী পৰিৱৰ্তন সাধন কৰিব বিচৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে, মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ জৰিয়তে ৰাজ্যখনৰ চাহ জনগোষ্ঠী, খিলঞ্জীয়া লোক আৰু বহুকেইটা প্ৰজন্মৰ পৰা ৰাজ্যখনৰ বসবাস কৰি অহা ভূমিহীন নাগৰিকসকলে সন্মুখীন হোৱা প্ৰতিবন্ধকতাসমূহ আঁতৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। কৰ্মশালাখনত বিভাগৰ আয়ুক্ত আৰু প্ৰধান সচিবকে ধৰি বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ সহযোগত কাইলৈ ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ ৯৮ সংখ্যক জয়ন্তী পালন কৰা হ'ব। এই উপলক্ষে জালুকবাৰী সমাধিস্থলিত পুৱা স্মৃতি তৰ্পণ আৰু বিয়লি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সমন্বয় দিৱস পালন কৰা হ'ব। সদৌ অসম ছাত্ৰ সন্থায়েও শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে দীঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। ইফালে তেজপুৰতো এই উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা ৭ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে গুজৰাট, মহাৰাষ্ট্ৰ আৰু পূব ৰাজস্থানত অহা দুদিনত মুষলধাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধি দাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ লতাশিল, গণেশগুৰি আৰু খানাপাৰাৰ গণেশ মন্দিৰত পুৱাতে সিদ্ধিদাতাৰ পূজা-অৰ্চনাৰ বাবে ভক্তৰ দীঘলীয়া শাৰী পৰিলক্ষিত হয়। গণেশ চতুৰ্থী উপলক্ষে গণেশ মন্দিৰসমূহত বিভিন্ন ধৰ্মীয় কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ

কামাৰদৈচা লক্ষীবজাৰত আজি গণেশ চতুৰ্থী উপলক্ষে পুৱাৰেপৰা ভগৱান গণেশৰ বন্দনাৰে চৌদিশ মুখৰিত হৈ পৰে। বিগত ৫৯ বছৰ ধৰি এই অঞ্চলত গণেশ চতুৰ্থী পালন কৰি অহা হৈছে। ধুবুৰী আৰু গোৱালপাৰা জিলাতো গণেশ চতুৰ্থী উপলক্ষে পূজা-অৰ্চনাৰ আয়োজন কৰা হৈছে। বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাত যথাবিহিত ৰীতি-নীতিৰে গণেশ চতুৰ্থী পালন কৰা হৈছে। বদৰপুৰ এছ টি ৰোডত ৫ দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই পূজাৰ সৈতে সংগতি ৰাখি শিশুসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। তদুপৰি সন্ধিয়াৰ ভাগত সকলোৰে বাবে বিশেষ প্ৰসাদৰ ব্যৱস্থা কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গণেশ চতুৰ্থী উপলক্ষে দেশৱাসীক ওলগ জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও গণেশ চতুৰ্থী উপলক্ষে দেশবাসীক আন্তৰিক শুভেচ্ছা জনাইছে আৰু সকলোৰে সমৃদ্ধিৰ বাবে গণেশ দেৱতাক প্ৰাৰ্থনা জনাইছে।

00000

ডিব্ৰুগড় জিলা স্বাস্থ্য সমিতি আৰু ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰম ডিব্ৰুগড়ৰ উদ্যোগত আজি অসম চিকিৎসা মহাবিদ্যালয়ত হৃদৰোগ আৰু ৰক্তজনিত জটিল ৰোগত আক্ৰান্ত শিশুসকলৰ বাবে এটা বিশেষ চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। বেংগালুৰুৰ নাৰায়ণা হৃদয়ালয়াৰ ৬ জন বিশেষ শিশু চিকিৎসকে সেৱা আগবঢ়োৱা এই শিবিৰত বিশেষকৈ ডিব্ৰুগড় আৰু চৰাইদেউৰ লিউকেমিয়া, থেলাছেমিয়াকে আদি কৰি জটিল ৰক্তজনিত ৰোগত আক্ৰান্ত হোৱা শিশুসকলৰ চিকিৎসা প্ৰদানৰ উদ্দেশ্যে এই শিবিৰৰ আয়োজন কৰা হৈছে। প্ৰায় ৩০০ৰো অধিক শিশুৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা এই শিবিৰৰ শুভ উদ্বোধন কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে। পৰৱৰ্তী পৰ্যায়ত জন্মৰ পৰা ১৪ মহীয়া শিশুৰ বাবে এই ৰক্তজনিত ৰোগত আক্ৰান্ত হৈ অস্থিৰ মজ্জা সংৰোপন সম্পৰ্কীয় তথা জন্মৰ পৰা ১৮ মহীয়া হৃদৰোগত আক্ৰান্ত শিশুক সম্পূৰ্ণ বিনামূলীয়াকৈ স্বাস্থ্যসেৱা উপলব্ধ হ'ব।

00000

বঙাইগাঁও জিলা উন্নয়ন সমিতিৰ ছেপ্তেম্বৰ মাহৰ সভাখন আজি জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যুটীয়াভাৱে কৰিবলগীয়া জলজীৱন মিছন, স্বচ্ছ ভাৰত অভিযান আদিৰ কামসমূহ উভয় বিভাগক সমন্বয়েৰে কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়। সভাত জিলা পশুপালন বিষয়াক জিলাখনৰ মূলাগাঁও আৰু আটুগাঁৱত প্ৰথম পৰ্যায়ৰ **ইগ ভিলেজ** হিচাপে গঢ়ি তোলাৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰিবলৈ কয়। তদুপৰি জিলাখনক উন্নয়নৰ দিশে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সকলো বিভাগকে দক্ষতাৰে কাম কৰিবলৈ আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

00000

ওদালগুৰি জিলাত আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত আজি স্বাস্থ্য প্ৰতিষ্ঠা পঞ্জীয়ন অনুষ্ঠিত হয়। এই পঞ্জীয়নৰ জৰিয়তে স্বাস্থ্য সেৱাৰ সৈতে জড়িত চিকিৎসক, নাৰ্ছকে ধৰি চিকিৎসালয়, ক্লিনিক, পৰীক্ষাগাৰ আৰু ফাৰ্মাচী আদি ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সকলো প্ৰতিষ্ঠান আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত পঞ্জীয়ন কৰা হয়।

00000

মাজুলী জিলাৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি জিলা আবকাৰী বিভাগ আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ উদ্যোগত ড্ৰাগছ বিৰোধী সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। জেংৰাইমুখ, ৰঙাচাহী মহাবিদ্যালয়, কমলাবাৰী চাৰিআলি আৰু গড়মূৰ চিভিল তিনিআলিত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে মাদক দ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে জনসাধাৰণক সজাগ কৰা হয়। ইফালে জিলাখনৰ কৃষি বিভাগে

আজি জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। এই কাৰ্যসূচীত জিলাখনৰ কেইবাগৰাকী প্ৰগতিশীল কৃষকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত ডিমৰীয়া উন্নয়নত খণ্ডত বিভাগৰ বিভিন্ন আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। পৰ্যালোচনাকালত মন্ত্ৰীগৰাকীয়ে এই আঁচনিসমূহ সঠিক সময়ত সমাপ্ত কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

ooooo

ভাৰতে পেৰিছ্-পেৰালিম্পিকত বৰ্তমানলৈকে ২৭টা পদক লাভ কৰি এতিয়ালৈ অলিম্পিকৰ একেটা সংস্কৰণতে সৰ্বাধিক পদক লাভ কৰাৰ গৌৰৱ অৰ্জন কৰিছে। ইয়াৰে ৬টা সোণ, ৯টা ৰূপ আৰু ১২টা ব্ৰঞ্জৰ পদক। হাই জাম্পাৰ প্ৰবীণ কুমাৰ, শ্যুটাৰ অৱনি লেখ্ৰা, জেৱলিন থ্ৰ'ৱাৰ ছুমীট অণ্টিল, আৰ্চাৰ হৰবিন্দৰ সিং, বেডমিণ্টন তাৰকা নীতেশ কুমাৰ আৰু ক্লাব থ্ৰ'ৱাৰ ধৰমবীৰ নেইন আদিয়ে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। সোণৰ পদক বিজয়ী আৰ্চাৰ হৰবিন্দৰ সিং আৰু স্প্ৰীণ্টাৰ পৃথ্বী পালে পেৰালিম্পিকত পদক লাভ কৰাৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰিছে আৰু তেওঁলোকে কাইলৈ সামৰণি উৎসৱত দেশৰ ধবজা বহন কৰিব। উল্লেখযোগ্য যে ভাৰতে ২০২০ চনত ট'কিঅ'ত অনুষ্ঠিত পেৰালিম্পিকত ৫টাকৈ সোণৰ পদক লাভ কৰিছিল। ইফালে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিচ পেৰালিম্পিকৰ পুৰুষৰ শ্বট-পুটৰ এফ-৫৭ ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰা হ'কাটা হ'ট'ঝে চেমাক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে খেলুৱৈগৰাকীৰ কৃতিত্বত আলোকপাত কৰি কয় যে লেণ্ডমাইন বিস্ফোৰণৰ পৰা ৰক্ষা পৰা শ্ৰীচেমাই পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এয়া জাতিৰ বাবে গৌৰৱৰ ক্ষণ বুলি অভিহিত কৰিছে।

ooooo

কামৰূপ জিলাৰ কমলপুৰ জনপ্ৰিয় ক্লাবৰ উদ্যোগত স্থানীয় মিনি ষ্টেডিয়ামত আজিৰেপৰা প্ৰাক্তন ফুটবল খেলুৱৈ অনন্তৰাম দাস আৰু গণপতি মজুমদাৰ সোঁৱৰণী সদৌ অসম ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ উদ্বোধনী খেলখনত ঢোলকুছি সত্যকাম সংঘই কমলপুৰ ফুটবল একাদশক ২-১ গ'লত পৰাস্ত কৰে। খেলখন উদ্বোধন কৰে নলবাৰী জিলা পৰিবহণ বিষয়া ক্ষীৰোদ দাসে।

ooooo

সমাপ্ত